# যেতিয়া পুৰুষ চিকাৰলৈ গৈছিল, মহিলাবোৰে কি কৰিছিল?

চি. এন সুব্ৰমনিয়াম



eklavya



বহু বছৰৰ আগৰ এটা উমাল শীতৰ দিনত, মই মোৰ বন্ধুৰ লগত ভূপালৰ ওচৰৰ কাঠতিয়া জংঘলত ঘূৰি ফুৰিছিলো। মই ছবি আঁকি থোৱা শিল বিচাৰি আছিলোঁ আৰু মুকুল আৰু চম্পাই অদ্ভুত ধৰণৰ চৰাই বিচাৰি আছিল। তেওঁলোকে এটাও চৰাই নেদেখিলে, কিন্তু মই সিহঁতক শিলত আঁকি থোৱা অদ্ভুত ধৰণৰ চৰাইৰ ছবি দেখুৱালো।



“হেই তোমালোকে এইটো কি চৰাই বুলি ভাবিছা ?” মই সুধিলো।

“অ এইটো এটা উটপক্ষী! এইটো ইয়ালৈ কেনেকৈ আহিল? এইটো অকল আফ্ৰিকাতহে পোৱা যায়,” মুকুলে ক’লে। “বেচেৰা সি গোটেইখন খোজকাঢ়ি আহিলে। উটপক্ষী যে উৰিব নোৱাৰে তুমি জানানে?” চম্পাই ক’লে।

“হয়তো হাজাৰ বছৰ আগতে উটপক্ষীবোৰ ইয়াতেই বাস কৰিছিল। তেতিয়াৰ পৰাই এই উটপক্ষীবোৰ বিলুপ্তিৰ পথত। এইদৰেই কিছুমান জীৱ-জন্তু হেৰাইছে,” মই ক’লো।

চাৰিওফালে ৰ'দত ঘূৰি-ফুৰি আমি ভাগৰুৱা আৰু ভোকাতুৰ হৈ গৈছিলো। আমি সকলো জুৰীৰ কাষত বহি চম্পাই মাকে আমালৈ দি পঠোৱা ৰুটী আৰু আলু-ভাজি খাইছিলো।

আমি কথা পাতি থাকোতে, মুকুলে সুধিলে , “যিবোৰ মানুহে শিলত এই ছবিবোৰ আঁকিছিল – এই মানুহবোৰে এই অৰণ্যৰ মাজত কি খাইছিল বুলি তোমালোকে ভাবা ?”


“সিহঁতে নিশ্চয় খেতি কৰা নাছিল। সিহঁতে জন্তু চিকাৰ কৰিছিল আৰু সেইবোৰকে খাইছিল। তুমি ছবিবোৰত বহুত চিকাৰৰ দৃশ্য দেখিবলৈ পাবা। এনেকুৱা লাগে সিহঁতে কাঠ আৰু শিল ব্যৱহাৰ কৰি বনোৱা যাঠি-জোং আৰু ধনু কাড়েৰে জীৱ-জন্তু চিকাৰ কৰিছিল,” মই ক’লো।

চম্পাই ক'লে, “চিকাৰ কৰা কামটো হয়তো পুৰুষৰ বাবেহে।”

মুকুলে সুধিলে, “তেতিয়া হ’লে মহিলাই কি কৰিছিল বুলি তুমি ভাবা? এই ছবিবোৰৰ ভিতৰত মহিলাৰ ছবি নাইনেকি?”

মই সঁচাকৈ ভাবিলো, মহিলাবোৰে এহেজাৰ বছৰৰ আগতে এই জংঘলত কি কৰিছিল?






মুকুলে সুধিলে, “এইখন এখন গভীৰ জংঘল। ইয়াত বিভিন্ন ধৰণৰ গছ-লতা আছে। নিশ্চিতভাৱে তেওঁলোকে সেইবোৰকে ব্যৱহাৰ কৰিছিল। ইয়াত থকা নৈ-বিল, জান-জুৰি আদি পানীৰে ভৰি আছিল। তেওঁলোকে তাত মাছ ধৰা নাছিল নেকি? ইয়াত তেনেকুৱা একো ছবি নাইনেকি?”

মই এইবোৰৰ বিষয়ে ভাবি আছিলো। কিছু দিনৰ পাছত মই কিছুমান শিলত অঁকা ছবি দেখা পাইছিলো। তোমালোকেও এই ছবিবোৰ চোৱা আৰু ভাবা যে সেই মানুহবোৰে ছবি অঁকা আৰু চিকাৰ কৰাৰ বাহিৰে আৰু কি কৰিছিল?


ভিমভেটকাৰ এটা শিলৰ গুহাত থকা ছবিলৈ চোৱা। মহিলাৰ নিচিনা লগা কিছুমান মানুহে গছত বগাইছে আৰু ফল পাৰিছে। কিছুমানে গছৰ তলত বহি ফল খাইছে।

পাচমাৰিত থকা মহাদেৱ পাহাৰৰ গুহাত মই এখন ছবি দেখা পাইছিলো। ছবিখনত কি আঁকি থোৱা আছিল  মই ভালদৰে ধৰিব পৰা নাছিলো। অলপ পিছত তাত ঘূৰি-ফুৰা এজনী ছোৱালীক মই ছবিখনৰ বিষয়ে সুধিলো। তাই একান্ত মনে ছবিসমূহ চালে আৰু তাৰপাছত ক'লে, "এই মহিলাবোৰে মৌকোঁহ কাটি আছে।" মই চিনি নোপোৱা ছবিখনৰ কথা তাই তৎক্ষণাত কৈ দিয়া দেখি মই আচৰিত হৈছিলো। এই ছবিত মানুহবোৰ জখলা বগাই গছ বা শিলত থকা মৌ কোঁহ গোটাইছে। মৌ-মাখিবোৰ সিহঁতৰ চাৰিওফালে উৰি ফুৰিছিল। ছোৱালীজনীয়ে মোক কৈছিল যে তাইয়ো এনেদৰেই ককায়েকৰ সৈতে মৌজোল আৰু মৌ-মম গোটাই বিক্ৰী কৰে।





এই ছবিখন লাখাজোৱা নামৰ ঠাইত  বনোৱা। ইয়াত হ্ৰদৰ পৰা ধৰি অনা মাছ, কাছ, আৰু কেঁকোৰাৰ ছবি আছিল। মানুহবোৰে সিহঁতক ধৰা বেলেগ বেলেগ পদ্ধতিবোৰ মন কৰা। কিছুমানে সিহঁতক হাতেৰে ধৰিছিল, কিছুমানে জালেৰে আৰু কিছুমানে কাড়েৰে ধৰিছিল।




এই ছবিখন চোৱা, এইখন কাঠতিয়া নামৰ ঠাইত বনোৱা। এইখন দেখিবলৈ এজনী মহিলাই শস্য ফালিবৰ বাবে জাঁতত হেচা দি থকাৰ নিচিনা লাগিছিল – এইবোৰ হয়তো শস্য বা বীজ হব পাৰে!

মই এই ছবিখন অবৈদুল্লাগঞ্জৰ কাষৰ জাৱাৰত দেখিছিলো। এই ছবিখন নিগনি ধৰিবলৈ মহিলাই ফান্দ পাতি থকা দেখাইছে। কিছুমান মহিলাই কাঠৰ মাৰিৰে জন্তু সোমাবৰ বাবে গাঁত খান্দি আছে। তাত তিনিটা নিগনি সহজতে মৰি পৰি আছে। তাত আৰু কেইটামান বাকচ আছে। সম্ভৱতঃ নিগনিবোৰ তাতে ভৰাইলৈ যাব। জমনি কথাটো হল যে বহুত নিগনি গাঁতৰ বেলেগ বেলেগ ফুটায়েদি পলাইছে।

এই ছবিবোৰ চাই চাই মোৰ মুকুল আৰু চম্পাৰ প্ৰশ্নটো মনত পৰিল। মই ভাবি আচৰিত হৈছিলো যে আজিৰ দিনত সিহঁত ক'ত আছে? কেতিয়াবা এদিন হয়তো এই কিতাপখন সিহঁতৰ হাতলৈ আহিব। তুমি সিহঁতক লগ পালে, এহেজাৰ বছৰৰ আগতে মহিলাই কি কৰিছিল ভালকে কৈ দিবা।

এইটো নহয় যে পুৰুষ চিকাৰলৈ গৈছিল আৰু ঘূৰি আহোতে খাদ্য লৈ আহিছিল যেতিয়া মহিলাই কেৱল ৰন্ধা-বঢ়া কৰি আছিল! মহিলাই গছ আৰু শিলত বগাই মৌকোঁহ আৰু ফল আনিছিল। শহা আৰু নিগনীৰ নিচিনা জন্তুও সংগ্ৰহ কৰিছিল। মহিলা সকলৰ গছ গছনিৰ ওপৰতো গভীৰ জ্ঞান আছিল। সকলো বাদ দি তেওঁলোকে গছৰ শিপাত লগা আলু জাতীয় বস্তুৰ লগত গুটিও চিঙি সংগ্ৰহ কৰিব পাৰিছিল। সেই কাৰণে কিছুমান লোকে কয় যে কৃষিকৰ্মটো মহিলাৰ পৰাহে আৰম্ভনি হ'ল।







যেনেকৈ মহিলাই ফল মূল গোটাই জীৱ জন্তুৰ ওপৰত জ্ঞান লাভ কৰিলে, তেনেদৰে পুৰুষে চিকাৰ কৰি জীৱজন্তুৰ ওপৰত জ্ঞান লাভ কৰিলে।

এই সন্মুখৰ পাতত থকা ছবিখন কাঠতিয়া নামৰ ঠাইত বনোৱা। এই ছবিখনত হৰিণৰ গোটেই পাচন ক্ৰিয়া অঁকা আছে। এইখন দেখি এনেকুৱা লাগিছে যে চিত্ৰশিল্পীজনে হৰিণটো ফালি তাৰ ভিতৰৰ গঠন প্ৰণালী চাই লৈছে।

আনকি হৰিণৰ পেটত আধা হজম হোৱা খাদ্যও চাব পৰা গৈছে। এনেদৰেই মানুহে পৃথিৱীৰ চাৰিওফালৰ গভীৰ জ্ঞান অৰ্জন কৰিলে।





While the men went hunting, what did the women do?
Author: C. N. Subramaniam
Illustrations: Pragnya Shankaran
Design: Kanak Shashi
The illustrations in this book are drawings of rock paintings at various locations.
Assamese Translation: Ayang Trust & The Hummingbird School family
Editorial consultants: Nirmali Goswami and Priaydarshika Medhi

The story and illustrations in this book are licensed under the Creative Commons license Attribution-Non-Commercial-NoDerivatives 4.0 International (CC BY-NC-ND 4.0) as in https://creativecommons.org/licenses/by-nc-nd/4.0/

You are free to copy and distribute the story and the illustrations with no change for non-commercial purposes with attribution to the original author, illustrator and publisher. For any other kind of permissions, including remixing, transforming or building upon the story or the illustrations in this book, the author and illustrator must be contacted through the publisher.

Developed with financial support from the H T Parekh Foundation.

Edition: March 2023 (1000 copies)

Paper: 140 gsm Brown kraft paper

ISBN: 978-93-94552-45-6

Price: ₹ 35.00

Published by: **Eklavya Foundation**
Jamnalal Bajaj Parisar, Jatkhedi, Bhopal (MP) 462 026
Phone: +91 755 297 7770-71-72
Website: www.eklavya.in; Email: books@eklavya.in

Printed at: Bhandari Printers, Bhopal



শিলৰ চিত্ৰৰ ওপৰত ভিত্তি কৰি শিলৰ যুগৰ মহিলাসকলে কি কৰিছিল তাৰ এক অনুসন্ধান।


**চি. এন সুব্ৰমনিয়াম**

একলব্য সমাজ বিজ্ঞান কাৰ্যসূচীৰ সৈতে জড়িত; ইতিহাস আৰু ইয়াৰ লগত জড়িত বিষয়ৰ ওপৰত লিখি ভালপায়।



Price: ₹ 35.00

H T Parekh FOUNDATION
An HDFC Initiative

eklavya

9 789394 552456